**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-12-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

উত্তৰ প্ৰদেশত অহা ১২ জানুৱাৰীৰপৰা হ'বলগীয়া মহা কুম্ভমেলাত অসমকে ধৰি উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা সত্ৰাধিকাৰ আৰু পুৰোহিতসকলে প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে অনান্য ৰাজ্যৰ লগতে উত্তৰপূবৰ ৰাজ্য কেইখনক এই মেলালৈ আমন্ত্ৰণ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এই ৰাজ্যসমূহৰ পুৰোহিতসকলক ৰাজ্যিক অতিথিৰ মৰ্যাদা দিয়া হ'ব বুলিও ঘোষণা কৰিছে। মাজুলি দক্ষিণপাত সত্ৰ, গড়মূৰ সত্ৰকে ধৰি কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰসকল এই মেলাত উপস্থিত থাকিব। একেদৰে, ত্ৰিপুৰা আৰু অন্য ৰাজ্যৰ পুৰোহিতো এই অনুষ্ঠানত উপস্থিত থাকিব। তেওঁলোকে মেলাৰ অংশ হিচাপ হ'বলগীয়া ৰাজকীয় স্নানটো অংশ ল'ব। এই উপলক্ষে বিভিন্ন ধৰ্মীয় অনুষ্ঠান আৰু ভাগৱত কথাৰো আয়োজন কৰা হৈছে।

oooooooo

প্ৰবীণ বৰ্ষীয়ান অভিনেত্ৰী, শ্বিলং-গুৱাহাটী কেন্দ্ৰৰ প্ৰথমগৰাকী ঘোষিকা জ্ঞানদা কাকতিৰ যোৱানিশা শ্বিলঙত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। শ্বিলঙৰ বাসিন্দা জ্ঞানদা কাকতি দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। ১৯৪৮ চনত **পাৰঘাট** ছবিৰে অসমীয়া চলচ্চিত্ৰ জগতত অভিনয় জীৱন আৰম্ভ কৰা জ্ঞানদা কাকতিয়ে অসমীয়াৰ লগতে বঙালী ছবিতো অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা উল্লেখযোগ্য ছবিসমূহৰ ভিতৰত পিয়লি ফুকন, পূৰেৰুণ, সৰাপাত, লখিমী, ৰঙা পুলিচ, চাকনৈয়া, পুৱতি নিশাৰ সপোন, ওপৰ মহলা, শেষ বিচাৰ, প্ৰিয়জন, ৰাগ-বিৰাগ আদি অন্যতম। ১৯৯৬ চনত মুক্তিপ্ৰাপ্ত **ৰাগবিৰাগ** তেওঁ অভিনয় কৰা অন্তিমখন ছবি আছিল। জ্ঞানদা কাকতিয়ে প্ৰভাত মুখাৰ্জীৰ দ্বাৰা নিৰ্মিত **পূৰেৰুণ** ছবিৰ বাবে বাৰ্লিন চলচ্চিত্ৰ মহোৎৱসত দেশক প্ৰতিনিধিত্ব কৰিছিল।

২০০২ চনত শিল্পীগৰাকীয়ে কলাগুৰু বিষ্ণুৰাভা বঁটা লাভ কৰিছিল। অনাতাঁৰ কেন্দ্ৰৰ গায়িকা ৰূপে প্ৰতিষ্ঠা লাভ কৰা জ্ঞানদা কাকতিয়ে দুখনমান গ্ৰামোফোন ৰেকৰ্ডতো কণ্ঠদান কৰিছিল।

বহুমুখী প্ৰতিভাসম্পন্ন এইগৰাকী শিল্পী আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জন্মলগ্নৰে পৰাই কেন্দ্ৰটোৰ সৈতে জড়িত আছিল। জ্ঞানদা কাকতিয়ে ১৯৪৮ চনৰ পহিলা জুলাইত তেতিয়াৰ আকাশবাণী শ্বিলং গুৱাহাটী কেন্দ্ৰৰ শ্বিলং ষ্টুডিঅ'ৰ পৰা অসমীয়াত প্ৰথম ঘোষণা কৰিছিল।

oooooooo

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলক উদ্ধাৰৰ বাবে প্ৰতিকূল বতৰকো নেওচি অভিযান অব্যাহত আছে। ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী দলে আজি অত্যাধুনিক সৰঞ্জামেৰে উমৰাংছ'ৰ কয়লা খনিটোৰ পৰা পানী নিষ্কাষণৰ চেষ্টা চলাব। নৌসেনাই আবদ্ধ শ্ৰমিক কেইজনৰ সন্ধেদ উলিয়াবৰ বাবে পানীৰ তলত চলাচল কৰা দূৰ সংবেদী ব্যৱস্থাচালিত অত্যাধুনিক বিশেষ বাহন ব্যৱহাৰ কৰিছে। উদ্ধাৰকাৰী দলসমূহে অভিযানৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি নিশাৰ ভাগতো উদ্ধাৰকাৰ্য অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে।

oooooooo

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশন চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি অধিৱেশনৰ মূল তোৰণ আৰু সাহিত্য অকাডেমী বঁটাপ্ৰাপক ড০ ৰীতা বড়োৱে **খেংখ্ৰাই** শীৰ্ষক শুভংকৰ উন্মোচন কৰে।

অধিৱেশনৰ সৈতে সংগতি ৰাখি গঢ়ি তোলা বড়ো লিটাৰেৰী পায়'নিয়াৰ পাৰ্কখন সাহিত্য অকাডেমী বঁটাপ্ৰাপক নবীন মল্ল বড়োৱে উদ্বোধন কৰে। কাইলৈ দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সূৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া আলোচনা চক্ৰখনত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ইছমাইল হুছেইন আৰু বড়ো স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কাইলৈ **ডিমাকুছি** শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰিব। ইয়াৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ প্ৰতিনিধিৰ সৈতে বিশেষ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলি সাহিত্য অকাডেমী বঁটাপ্ৰাপক নন্দেশ্বৰ দৈমাৰীয়ে কবি সন্মিলনৰ উদ্বোধন কৰিব।

oooooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ অধীনৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰ' উদ্যোগত মৰিগাঁও জিলাৰ মায়ঙত দুদিনীয়াকৈ এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ সজাগতাসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱা এই কাৰ্যসূচীৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। তদুপৰি, পুৱাৰ ভাগত মন্ত্ৰালয়ৰ বিষয়াসকলৰ অংশ গ্ৰহণেৰে চাফাই অভিযান আৰু এজোপা গছ আইৰ নামৰ শীৰ্ষক গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ন কৰা হয়।

oooooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড০ শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

oooooooo

তিনিচুকীয়া জিলাৰ সোণজান গাঁও নিবাসী বৰদিৰাক মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰতাৰ নেওগৰ যোৱা নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। সদৌ মৰাণ ছাত্ৰ সন্থাৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য তথা প্ৰাক্তন সভাপতিগৰাকীৰ মৃত্যুত তিনিচুকীয়া জিলাৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

oooooooo

সমাপ্ত